স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-14 NO-350 THURSDAY 27 FEBRUARY 2025 (ডিব্ৰুগড় সংস্কৰণ/

...নিবলৈ দিয়ে যদিও বাতৰি লিখাৰ পৰলৈ কৃষকেই টকা ঘূৰাই পোৱা নাই বুলি পৰা গৈছে। ইয়াৰ এক উচিত তদন্ত কৰি ...ৰ নামত ধন সংগ্ৰহ কৰাসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

## যোৰহাটৰ সাহিত্যিক লেখক চন্দ্ৰ চুবাদাৰৰ মৃত্যু

বিশেষ বাৰ্তা, যোৰহাট, ২৬ ফেব্ৰুৱাৰী ঃ পূব যোৰহাট পদুমণি নিবাসী বিশিষ্ট সাহিত্যিক, সুলেখক চন্দ্ৰ চুবেদাৰ (৮৮)ৰ উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ আজি পুৱতি নিশা যোৰহাটৰ এখন চিকিৎসালয়ত মৃত্যু হয়। চাওখাট মজলীয়া বিদ্যালয়ৰ পৰা ২০০১ বৰ্ষত অৱসৰপ্ৰাপ্ত শিক্ষকজনে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। নশ্বৰদেহ নিজা বাসগৃহত উপস্থিত হোৱাৰ লগে লগে গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

### কানৈ কলেজৰ বক্তৃতানুষ্ঠানত ড° বিজু মৰাণ

## ভাষা এটা শুদ্ধকৈ ক'বলৈ ভাষাৰ ধ্বনিগত দিশসমূহ বুজিব লাগিব

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৬ ফেব্ৰুৱাৰী ঃ 'ভাষা এটা শুদ্ধকৈ ক'বলৈ হ'লে ভাষাৰ ধ্বনিগত দিশসমূহ বুজিব লাগিব।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ২৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত বিশেষ বক্তৃতানুষ্ঠান 'অসমীয়া ধ্বনিতত্ত্ব ঃ কিছু অনালোচিত দিশ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ডিব্ৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° বিজু মৰাণে এইদৰে কয়। ড° মৰাণে কয়— 'অসমীয়া ভাষাৰ ধ্বনি উচ্চাৰণৰ আলোচনা অতিশয় আমোদজনক। শব্দৰ উচ্চৰণৰ ক্ষেত্ৰলৈ মন নকৰিলে ধ্বনি উচ্চাৰণ সম্পৰ্কীয় সৰু সৰু ভুলসমূহ আমাৰ চকুত নপৰে।' কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° মন্‌মী বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত তেওঁ অসমীয়া ভাষাৰ 'ঙ, ঞ, চ, ছ' ধ্বনি উচ্চাৰণৰ বিশিষ্টতা, 'দন্ত, মূৰ্ধণ্য আৰু দন্তমূলীয়' ধ্বনি উচ্চাৰণৰ বিশিষ্টতা, 'ৎ, ত, ং, ঙ'ৰ উচ্চাৰণ আৰু ব্যৱহাৰ সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়ায়। তেওঁ অসমীয়া ভাষাৰ লয়, বৰ্ণ, অনুনাসিকতা, শ্বাসাঘাত, সন্ধিৰ বিষয়ে উদাহৰণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক অৱগত কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰি কয়— 'ভাষা থাকিলেহে দেশ আৰু জাতি এটা জীয়াই থাকিব। ভাষাৰ উচ্চাৰণ শুদ্ধ নহ'লে জাতিৰ পৰিচয় জগত সভাত শুদ্ধ ৰূপত প্ৰতিভাত নহয়। সেয়ে দেশ আৰু জাতিৰ প্ৰতি ছাত্ৰ সমাজে নিজৰ দায়বদ্ধতা পালন কৰি যাব লাগিব।' অনুষ্ঠানটিৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী আৰু সমল ব্যক্তিৰ মাজত এক মত বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়। অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° মন্‌মী বৰুৱাই।